# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-03-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিৰ বাবে বিজেপি, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলে ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। জ্যেষ্ঠ বিজেপি নেতা তথা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোৱালপাৰা জিলাৰ পূব অজগৰ সমষ্টিৰ ৰংচাইত বিজেপি সমৰ্থিত ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী ভুলাইবালা ৰাভাৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। ডাঃ পেগুৱে তেওঁৰ ভাষণত অহা এপ্ৰিলৰ পৰাই ৰাভা-হাছং এলেকাত ১০৬খন ৰাভা মাধ্যমৰ বিদ্যালয় গঠনৰ কাম আৰম্ভ হ'ব বুলি জানিবলৈ দিয়ে। ইয়াৰ পাছত তেওঁ জিলাখনৰ বান্দৰশ্ৰী সমষ্টিৰ হাবাংগিৰী খেলপথাৰ আৰু ধুপধৰা সমষ্টিৰ দীঘলী ছনজাৰং ক্লাবত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ ল'ব।

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবেও প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। জ্যেষ্ঠ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ৩০ নম্বৰ বামুণীগাঁও পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ বকোৰ গান্ধী মৈদামত প্ৰচাৰ অভিযানত ভাগ ল'ব।

অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৫৪ সংখ্যক উত্তৰ-পূব আৰক্ষী একাডেমীৰ উপ আৰক্ষী অধীক্ষক প্ৰশিক্ষাৰ্থীৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰি উত্তৰ-পূব খণ্ডত বৰ্তমানৰ দৰেই অনাগত দিনত শান্তিৰ পৰিৱেশ বাহাল থকাটো সুনিশ্চিত কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা দোহাৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত কয়, যে ১৯ গৰাকী মহিলা বিষয়াকে ধৰি প্ৰশিক্ষণ সমাপ্ত কৰা অসমৰ মুঠ ৬২ গৰাকী বিষয়াৰে ৰাজ্যৰ জিলা আৰু সমজিলা পৰ্যায়ত নিৰাপত্তাৰ দিশটো উন্নত কৰাৰ উপৰি জনঅনুকূল আৰক্ষী ব্যৱস্থা গঢ়ি তুলিব পৰা যাব। ড০ শৰ্মাই আজি এই প্ৰশিক্ষণ পাঠ্যক্ৰম সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৭০ গৰাকী উপ-আৰক্ষী অধীক্ষকক শুভেচ্ছা জনায়। তেওঁ বিষয়াসকলক জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ প্ৰতি সংবেদনশীল হৈ থাকি অপৰাধৰ বিৰুদ্ধে সামূহিক যুঁজত অংশীদাৰ হ'বলৈ আহ্বান জনায়।

০০০০০

তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বালিকা মহাবিদ্যালয়ত আজি ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বালিকা মহাবিদ্যালয়খনৰ লগতে তেজপুৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ দুশৰো অধিক শিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে।

অসমৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত দেশৰ অখণ্ডতা আৰু সাৰ্বভৌমত্ব ৰক্ষাত দেশৰ সেনা বাহিনীয়ে আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানৰ ওপৰত আলোকপাত কৰা হয়। এই কাৰ্যসূচীত সেনা বাহিনীৰ কেইবাগৰাকীও উচ্চ পদস্থ বিষয়া উপস্থিত থাকে।

০০০০০

গুৱাহাটীৰ খাৰঘুলিৰ শ্ৰীশ্ৰী হৰগৌৰী মন্দিৰ প্ৰাংগণত কাইলৈ কৰ্কট ৰোগৰ সজাগতাৰ লগতে এটা স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হৈছে। ইনাৰ হুইল ক্লাব, গুৱাহাটী ইষ্টৰ উদ্যোগত আৰু নৰ্থ-ইষ্ট কেন্সাৰ হস্পিতেল আৰু ৰিছাৰ্ছ ইনষ্টিটিউটৰ সহযোগত এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। শ্ৰীশ্ৰীহৰগৌৰী মন্দিৰ পৰিচালনা সমিতিয়ে জানিবলৈ দিয়া অনুসৰি কাইলৈ দিনৰ এঘাৰ বজাত এই শিবিৰ মুকলি কৰা হ'ব।

০০০০০

শিলচৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা এজন কয়দীৰ মৃতদেহ আজি পুৱা উদ্ধাৰ কৰা হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে পিণ্টু ৰাজপুত নামৰ মৃত কয়দীজন কাছাৰৰ নতুন কাঞ্চনপুৰ গাঁৰৰ বাসিন্দা আছিল আৰু তেওঁ দুমাহ পূৰ্বে শিলচৰ আৰক্ষীয়ে গৰু চুৰীৰ গোচৰত গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছিল। আজি পুৱা কাৰাগাৰ আৰক্ষীয়ে কয়দীজনৰ মৃতদেহ প্ৰত্যক্ষ কৰাৰ লগে লগে তাৰাপুৰ থানাক অৱগত কৰে। তাৰাপুৰ আৰক্ষীয়ে দণ্ডাধীশৰ সৈতে কেন্দ্ৰীয় কাৰাগাৰত উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে শিলচৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত চলাই আছে।

০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ সমীপৰ নেলীত যোৱা নিশা বিদ্যুৎস্পৃষ্ট হৈ এটা বনৰীয়া হাতীৰ মৃত্যু হয়। খাদ্যৰ সন্ধানত নিশাৰ ভাগত নেলীৰ বেলতলা অঞ্চলত প্ৰৱেশ কৰা হাতীটোৰ খেতিপথাৰৰ মাজেৰে যোৱা উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰত লাগি মৃত্যু হোৱা বুলি আমাৰ মৰিগাঁও সংবাদদাতাই জানিবলৈ দিছে। পাছত বনবিভাগে মৃত হাতীটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

০০০০০

বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আজিৰে পৰা ১৪ বছৰ অনুৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হৈছে। অসম ক্ৰিকেট সন্থাৰ উদ্যোগ আৰু বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বৰপেটা আৰু বজালী জিলাৰ মাজত অনুষ্ঠিত আজিৰ উদ্বোধনী খেলত বৰপেটা জিলাই জয়লাভ কৰে।

০০০০০

শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জনপ্ৰিয় অনুষ্ঠান 'জিলাৰ ৰেহৰূপ' পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱাৰ ভাগত প্ৰচাৰৰ দিহা কৰা হৈছে। সেই অনুসৰি অহা ১

এপ্ৰিলৰ পৰা জিলাৰ ৰেহৰূপ অনুষ্ঠান প্ৰতিদিনে পুৱাৰ আঞ্চলিক বাতৰিৰ ঠিক পাছতেই অৰ্থাৎ ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰিত হ'ব। উল্লেখযোগ্য যে কোৱিড কালত বিভিন্ন অনুষ্ঠানৰ সময় পৰিৱৰ্তনৰ বাবে জিলাৰ ৰেহৰূপৰ প্ৰচাৰ বন্ধ কৰা হৈছিল আৰু পৰৱৰ্তী কালত ইয়াক সন্ধিয়া ৭ বাজি ৫ মিনিটত প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

ooooo

সমাপ্ত